# Press Statement on recent comments by foreign individuals and entities on the farmers’ protests

February 03, 2021

# কৃষকৰ প্ৰতিবাদৰ ওপৰত শেহতীয়াকৈ বিদেশী ব্যক্তি আৰু সত্তাই কৰা মন্তব্যৰ ওপৰত সংবাদ বিবৃতি

ফেব্ৰুৱাৰী 03, 2021

"ভাৰতীয় সংসদে, এক সম্পূৰ্ণ তৰ্ক আৰু আলোচনাৰ পিছত, সংশোধনী আইন জাৰি কৰিছিল কৃষি খণ্ডৰ সম্বন্ধীয়। এই সংশোধনে বৰ্ধিত বজাৰ উপলব্ধি প্ৰদান কৰে আৰু কৃষকসকলক বৰ্ধিত নমনীয়তা প্ৰদান কৰে। এই আইনে অৰ্থনৈতিক আৰু পৰিৱেশগত বহনশীল কৃষিৰ বাবেও বাট মুকলি কৰে।

ভাৰতৰ কিছুমান অংশৰ কৃষকৰ এক অতি সৰু ভাগৰ এই সংশোধনৰ বিষয়ে কিছু সন্দেহ আছে। প্ৰতিবাদকাৰীসকলৰ আৱেগক সন্মান জনাই, ভাৰত চৰকাৰে তেওঁলোকৰ প্ৰতিনিধিসকলৰ সৈতে আলোচনাৰ এক ক্ৰম আৰম্ভ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰীসকল এই মীমাংসাত অংশগ্ৰহণ কৰিছে, আৰু ইতিমধ্যে এঘাৰটা তেনে আলোচনা হৈছে। চৰকাৰে আইনসমূহ স্থগিত ৰাখিবলৈ মান্তি হৈছে, যি ভাৰতৰ প্ৰধান মন্ত্ৰীয়েও স্বীকাৰ কৰিছে।

তথাপি, এয়া দুৰ্ভাগ্যজনক কিছুমান ন্যস্তস্বাৰ্থ থকা গোটে এই প্ৰতিবাদত নিজৰ উদ্দেশ্য বলৱৎ কৰিবলৈ চেষ্টা কৰা দেখি, আৰু ইয়াক চ্যুত কৰিবলৈ চেষ্টা কৰা। এয়া জানুৱাৰী 26, ভাৰতৰ গণতন্ত্ৰ দিৱসত অসাধাৰণভাৱে দেখা যায়। এক অভীষ্ট ৰাষ্ট্ৰীয় স্মৰণ, ভাৰতৰ সংবিধানৰ উদ্বোধনীৰ বাৰ্ষিকী, কলঙ্কিত হৈছিল, আৰু ভাৰতৰ ৰাজধানীত হিংসা আৰু ধ্বংস সংঘটিত হয়।

কিছুমান এনে ন্যস্তস্বাৰ্থ গোতে ভাৰতৰ বিৰুদ্ধে আন্তঃৰাষ্ট্ৰীয় সমৰ্থন চলনা কৰিবলৈ চেষ্টা কৰিছে। তেনে দুষ্ট চক্ৰৰ উচটনিত, বিশ্বৰ কিছুমান অংশত মহাত্মা গান্ধীৰ মূৰ্তি ধ্বংস কৰা হৈছে। এয়া ভাৰতৰ বাবে আৰু সকলো ঠাইৰ সভ্য সমাজৰ বাবে দুখজনক।

ভাৰতীয় আৰক্ষী বাহিনীয়ে এই প্ৰতিবাদসমূহ অতি সহনশীলতাৰে পৰিচালন কৰিছে। এয়া উল্লেখ কৰা উচিত যে আৰক্ষীত সেৱা প্ৰদান কৰা বহুতো পুৰুষ আৰু মহিলাক শাৰীৰিকভাৱে আক্ৰমণ কৰা হৈছে, আৰু কিছুমান ক্ষেত্ৰত অস্ত্ৰৰে খুচা আৰু গুৰুতৰভাৱে আহত কৰা হৈছে।

আমি এয়া উল্লেখ কৰিব বিচাৰোঁ যে এই প্ৰতিবাদসমূহ ভাৰতীয় গণতান্ত্ৰিক নীতি আৰু ৰাজনীতি, এই সমস্যা সমাধানৰ ক্ষেত্ৰত চৰকাৰ আৰু কৃষক গোটৰ প্ৰেচেষ্টাৰ প্ৰসংগত চোৱা হওক।

এনে বিষয়ৰ ওপৰত মন্তব্য দিয়াৰ আগতে, আমি জোৰ দিছোঁ যাতে তথ্যবোৰ নিশ্চিত কৰি লয়, আৰু বিষয়টোৰ বিষয়ে এক সঠিক বুজনি লয়। চাঞ্চল্যকৰ চৰ্চিয়েল মিডিয়া হেচটেগ আৰু মন্তব্যৰ লোভ, বিশেষকৈ তাৰকা আৰু আনে কৰা, সঠিক বা দায়িত্বশীল নহয়।"

#IndiaTogether

#IndiaAgainstPropaganda

**নতুন দিল্লী**
**ফেব্ৰুৱাৰী 03, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.